**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 14-08-2026 **Time :** 1205 Hrs.

**Assamese Midday Bulletin**

**<u>Headlines</u>**

১। ৰাজ্যৰ প্ৰতিখন জিলাতে কাইলৈ স্বাধীনতা দিৱস উদযাপনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ।

২। ৮০ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা আজি ৰাষ্ট্ৰক উদ্দেশ্যি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ভাষণ।

৩। ১৯ জুলাইত হোৱা ধাৰাসাৰ বৰষুণৰ বাবে নাগালেণ্ডৰ মন জিলাত ভূমিস্খলন হোৱা বুলি এন ই এছ এ চিৰ প্ৰতিবেদনত প্ৰকাশ।

আৰু

৪। প্ৰচণ্ড গৰমৰ বাবে শ্ৰী ভূমি জিলাৰ বিদ্যালয়ৰ পাঠদানৰ সময় সলনি।

০০০০০০

সমগ্ৰ দেশত কাইলৈ ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হ'ব। ৰাজ্যৰ ভিন্ন প্ৰান্ততো স্বাধীনতা দিৱসৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই খানাপাৰাত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা স্বাধীনতা দিৱসৰ অনুষ্ঠানত পতাকা উত্তোলন কৰিব। খানাপাৰাত হ'বলগীয়া কুচ-কাৱাজ আৰু সাংস্কৃতিক কাৰ্যসূচীৰ অনুশীলন পূৰ্ণগতিত অব্যাহত আছে। স্বাধীনতা দিৱসৰ কুচ-কাৱাজত এইবাৰ প্ৰথমবাৰৰ বাবে বিহু সংযোজন কৰা হ'ব। এছ এফ এছ স্কুলৰ ছাত্ৰীসকলৰ বেগে পৰিৱেশন কৰিবলগীয়া বিহু এইবাৰৰ কুচ-কাৱাজৰ মূল আকৰ্ষণৰূপে বিবেচিত হৈছে। ইয়াৰ সমান্তৰালভাৱে বিভিন্ন জিলা সদৰত মন্ত্ৰী বিধায়কসকলে স্বাধীনতা দিৱসৰ পতাকা উত্তোলন কৰিব।

গুৱাহাটী উচ্চ ন্যায়ালয়তো ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ন্যায়াধীশ আশুতোষ কুমাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পুৰণি চৌহদত পুৱা ৮ বজাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব।

০০০০০০০

ৰাজ্যৰ বান পৰিস্থিতি সুস্থিৰ হৈছে যদিও বানৰ বিভীষিকা এতিয়াও সম্পূৰ্ণৰূপে আঁতৰা নাই। পানী শুকাইছে যদিও বোকা, পলস আৰু ধ্বংসাৱশেষে প্ৰভাৱিত এলেকাসমূহত কদৰ্যময় পৰিস্থিতিৰ সৃষ্টি হৈছে। ৰাজ্যৰ ৭ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানৰ কবলত আছে। সাম্প্ৰতিক বানত ৩৭০ খন গাঁৱৰ ৭৭ হাজাৰ ৫৪২ জন লোক প্ৰভাৱিত হোৱাৰ লগতে ৯ হাজাৰ ৯০৮ দশমিক ৮-৫ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। বানত মৃত্যু হোৱা লোকৰ সংখ্যা ১০৩ হৈছেগৈ।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ সমীপৰ গাড়ীগাঁৱৰ পৰা পূব ধাৰাপুৰ সংযোগী এখন দলং মুকলি কৰে। ২ কোটি ৬৫ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰা এই দলংখনে গুৱাহাটী মহানগৰৰ যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে। কাৰ্যসূচীৰ পাছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই বৰুৱাপাৰাৰ ২ নম্বৰ উপ-পথত এটা কালভাৰ্ট মুকলি কৰাৰ কথা। মুখ্যমন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণতে কেওটপাৰাত থকা শ্ৰীশ্ৰী মা মনসা মন্দিৰো দৰ্শন কৰিব।

মুখ্যমন্ত্ৰীগৰাকীয়ে বৰপেটা আৰু বজালী জিলাত স্বাস্থ্য আৰু আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত নতুন সংযোজন ঘটাই আজি তিনিটা প্ৰকল্পও মুকলি কৰিব। ইয়াৰ ভিতৰত বৰপেটা চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত ২৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰি উলিওৱা মাতৃ আৰু শিশু চিকিৎসালয়, ১২ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা সৰভোগ মহকুমা, অসামৰিক চিকিৎসালয় আৰু বজালীত ১৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা ছহিদ মদন ৰাউতা মহকুমা অসামৰিক চিকিৎসালয় আছে। উদ্বোধনী অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহল মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০০

ৰাজ্যৰ নদীসমূহত প্ৰথম বাৰৰ বাবে চলোৱা বিস্তৃত জৰীপত মুঠ ৬৩৫টা শিহু থকাৰ তথ্য পোহৰলৈ আহিছে। কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰ, গংগা, মেঘনা আদি নদীত পোৱা এই বিশেষ প্ৰজাতিৰ শিহুৰ সংৰক্ষণৰ বাবে বিস্তৃত কাৰ্যপৰিকল্পনা যুগুতাই উলিয়াইছে। এই পৰিকল্পনাৰ অধীনত ডলফিন আৰু ইয়াৰ বসতিস্থলৰ সংৰক্ষণৰ বাবে সংশ্লিষ্ট পক্ষসমূহৰ ভূমিকা চিনাক্ত কৰা হৈছে। সাংসদ তেৰছ গোৱালাই সোধা এটা প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন দপ্তৰৰ মন্ত্ৰী কীৰ্তিবৰ্দ্ধন সিঙে ৰাজ্যসভাত এই কথা সদৰি কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে ২০২১ৰ পৰা ২০২৩ চনলৈ প্ৰজেক্ট ডলফিনৰ অধীনত চলোৱা এই জৰীপত ব্ৰহ্মপুত্ৰ, গংগা আৰু ব্যাস নদীক সামৰি লোৱা হয়। এই জৰীপত দেশত মুঠ ৬ হাজাৰ ৩২৪টা শিহুৰ উপস্থিতি ধৰা পৰে। অসমত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সোৱণশিৰি, বেকী, তুলসী, কপিলী আৰু বৰাক নৈত চলোৱা জৰীপত ৬৩৫টা ডলফিন থকাৰ তথ্য পোৱা যায়। কেন্দ্ৰীয় চৰকাৰে বন্যপ্ৰাণীৰ বসতিস্থলৰ উন্নয়ন আঁচনিৰ অধীনত ডলফিনসহ বিভিন্ন বন্যপ্ৰাণীৰ সংৰক্ষণৰ বাবে ৰাজ্যসমূহলৈ সাহায্য আগবঢ়াই আহিছে বুলি মন্ত্ৰীগৰাকীয়ে এই চেগতে উল্লেখ কৰে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা আজি ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। আকাশবাণীয়ে সন্ধিয়া ৭ বজাৰ পৰা ৰাষ্ট্ৰপতিৰ ভাষণ পোনপটীয়াকৈ প্ৰচাৰ কৰিব। দূৰদৰ্শনৰ সকলো চেনেলযোগেও এই ভাষণ সম্প্ৰচাৰ কৰা হ'ব। হিন্দী আৰু ইংৰাজী ভাষণৰ ঠিক পাছতেই দূৰদৰ্শনৰ আঞ্চলিক কেন্দ্ৰসমূহে নিজ নিজ আঞ্চলিক ভাষাত ৰাষ্ট্ৰপতিৰ ভাষণ সম্প্ৰচাৰ কৰিব। আকাশবাণীয়ে নিশা চাৰে ৯ বজাত ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

ইয়াৰ পৰিপ্ৰেক্ষিতত আজি সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰ হোৱা অসমীয়া বাতৰি সন্ধিয়া ৭ বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব।

০০০০০০০

ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ সংস্কাৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ গুৰুত্বপূৰ্ণ স্বীকৃতি লাভ কৰিছে। আয়ুস্মান ভাৰত, প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত চৰকাৰী চিকিৎসালয়সমূহে লাভ কৰা ধন, চিকিৎসালয়ৰ আন্তঃগাঁথনি, চিকিৎসা সঁজুলি আৰু ৰোগীৰ কল্যাণৰ বাবে পুনৰ-বিনিয়োগৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ প্ৰচেষ্টাক স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিষয়ক সংসদীয় স্থায়ী সমিতিয়ে বাস্তৱসন্মত আৰু সমগ্ৰ দেশত ৰূপায়ণযোগ্য আৰ্হি হিচাপে স্বীকৃতি দিছে। সমিতিখনে দেশৰ আন ৰাজ্যসমূহ চৰকাৰী চিকিৎসালয়সমূহেও যাতে এই আৰ্হি গ্ৰহণ কৰিব পাৰে তাৰ বাবে কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ক প্ৰয়োজনীয় নীতি নিৰ্দেশনা প্ৰস্তুত কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰি এই স্বীকৃতিৰ বাবে সংসদীয় সমিতিৰ অধ্যক্ষ প্ৰফেচাৰ ৰাম গোপাল যাদৱ আৰু সমিতিৰ অন্য সদস্যসকলক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০

উত্তৰ-পূব মহাকাশ প্ৰয়োগ কেন্দ্ৰ এন ই এছ এ চিয়ে ১৯ জুলাইত পুৱা হোৱা ধাৰাসাৰ বৰষুণৰ বাবে নাগালেণ্ড মন জিলাত ভূমিস্খলন হোৱা বুলি সদৰি কৰিছে। অবিৰত ধাৰাসাৰ বৰষুণৰ ফলত নামি অহা ঢলে অসমৰ শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ পূৰ্বতে কেতিয়াও বানৰ কবলত নপৰা কেতবোৰ অঞ্চলত প্ৰলয়ংকাৰী বানৰ সৃষ্টি কৰিছিল। প্ৰতিবেদনত প্ৰকাশ পোৱা মতে ১৯ জুলাইত নাগালেণ্ডত স্বাভাৱিকতকৈ ১৮১ শতাংশ অধিক বৰষুণ হৈছিল। সেইদিনাখন বিশেষকৈ মোককচুঙত স্বাভাৱিকতকৈ ৪৯৩ শতাংশ, ৱখাত ১০৮ শতাংশ আৰু মন জিলাত স্বাভাৱিকতকৈ ৪৫ শতাংশ বেছি বৰষুণ হৈছিল। ইয়াৰ উপৰি অসমৰ চৰাইদেউ আৰু শিৱসাগৰ জিলাতো সেইদিনা প্ৰৱল বৰষুণ হৈছিল। ইয়াৰ ফলত জিলা দুখনৰ ঠাইবিশেষে অভূতপূৰ্ব বানৰ সৃষ্টি হৈছিল। এন ই এছ এ চিয়ে নাগালেণ্ড মন জিলাৰ ভূমিস্খলন সন্দৰ্ভত প্ৰকাশ কৰা প্ৰাৰম্ভিক প্ৰতিবেদনত এই তথ্য পোহৰলৈ আহিছে।

০০০০০

প্ৰচণ্ড গৰমৰ বাবে শ্ৰী ভূমি জিলাৰ বিদ্যালয়ত পাঠদানৰ সময় সলনি কৰা হৈছে। কাছাৰ বিদ্যালয় পৰিদৰ্শক তথা জিলা প্ৰাথমিক বিষয়াই জাৰি কৰা নিৰ্দেশ অনুসৰি আজিৰেপৰা জিলাখনৰ প্ৰাথমিক বিদ্যালয়সমূহত পুৱা চাৰে ৭ বজাত দুপৰীয়া ১২ বজালৈ পাঠদান হৈছে। জিলাখনৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহতো চাৰে ৭ বজাৰ পৰা ১ বজালৈ পাঠদানৰ ব্যৱস্থা কৰা হৈছে। একেদৰে মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়সমূহত পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া ১ বাজি ১৫ মিনিটলৈ পাঠদান হৈছে। চৰকাৰী বিদ্যালয়ৰ লগতে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ ক্ষেত্ৰতো এই নিৰ্দেশনা প্ৰযোজ্য হ'ব।

একেদৰে শ্ৰীভূমি জিলাৰ প্ৰাথমিক বিদ্যালয়সমূহত পুৱা চাৰে ৭ বজাৰ পৰা চাৰে ১১ বজালৈ মাধ্যমিক বিদ্যালয়সমূহ পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ আৰু উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহ পুৱা চাৰে ১২ বজালৈ পাঠদানৰ নিৰ্দেশ দিয়া হৈছে। নিৰ্ধাৰিত সময়ৰ পাছত বিশেষ অনুমতি অবিহনে কোনো বিদ্যালয়তে পাঠদান কৰিব নোৱাৰিব বুলিও শ্ৰীভূমিৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে জাননী জাৰি কৰিছে।

০০০০০০০

গুপ্তকাশী বিশ্বনাথ ঘাটৰ নদীদ্বীপ উমাটুমনীত আশ্ৰয় লৈ থকা হাতীৰ জাক এটাই নদীদ্বীপটোত বসবাস কৰি থকা লোকসকলৰ মাজত ত্ৰাসৰ সৃষ্টি কৰা বুলি আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে। উল্লেখযোগ্য যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান বানৰ কবলত পৰাৰ ফলত পোৱালিসহ বনাঞ্চলৰ পৰা ওলাই আহি ৬০ টাতকৈও অধিক বনৰীয়া হাতীয়ে উমাটুমনীত আশ্ৰয় লৈ আছে।নিশাৰ ভাগত হাতীৰ জাকটোৱে জনবসতি অঞ্চলত সোমাবলৈ চেষ্টা কৰাক লৈ স্থানীয় গাওঁবাসী শংকিত হৈ পৰিছে। গঞাই ফটকা ফুটাই, জুই জ্বলাই হাতী খেদিবলৈ চেষ্টা কৰাৰ লগতে হাতীৰ জাকটোক কাজিৰঙালৈ খেদি পঠিয়াবলৈ বন বিভাগক আহ্বান জনাইছে। হাতীৰ জাকটোৱে ইতিমধ্যে কেইবাগৰাকীও লোকৰ চাহ বাগিছা অনিষ্ট কৰাৰ লগতে মন্দিৰৰ ভোগঘৰ ভাঙি পেলোৱা বুলি সংবাদদাতাগৰাকীয়ে জানিবলৈ দিছে।

০০০০০০০০

**সমাপ্ত**